জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৯/২০২১

**মাৰ্ঘেৰিটাত আয়োজিত ভোগালী উৎসৱত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে**

# লিডু আৰু মাৰ্ঘেৰিটাৰ দুখন ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

**মুখ্যমন্ত্ৰীয়ে শুভাৰম্ভ কৰিলে ঝৰ্ণা বস্তি ৰাজহুৱা পানী যোগান আঁচনিৰ**

# সামগ্ৰীৰ মূল্য সংযোজনেৰে আমাৰ উৎপাদিত সামগ্ৰীৰ বজাৰ ব্যৱস্থা গঢ়ি তুলিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৩ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাৰ ১ নং আলুবাৰীৰ ৰাজখোৱা পথাৰ বাকৰিত আয়োজন কৰা প্ৰথম বাৰ্ষিক ভোগালী উৎসৱ- ২০২১ কাৰ্যসূচীত অংশ গ্ৰহণ কৰে। আনহাতে মুখ্যমন্ত্ৰীয়ে লিডু আৰু মাৰ্ঘেৰিটাৰ দুখন ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰো শুভ উদ্বোধন কৰাৰ লগতে ঝৰ্ণা বস্তি ৰাজহুৱা পানী যোগান আঁচনিৰো শুভ উদ্বোধন কৰে। প্ৰধানমন্ত্ৰী খনিজ ক্ষেত্ৰ কল্যাণ যোজনাৰ জৰিয়তে প্ৰায় ১৭৩ লাখ টকাৰ পুঁজিৰে নিৰ্মাণ কৰা এই আঁচনিৰ জৰিয়তে বৃহত্তৰ অঞ্চলটোৰ ১৬৮ টা পৰিয়ালে স্বগৃহতে বিশুদ্ধ খোৱা পানী লাভ কৰিবলৈ সক্ষম হ'ব।

এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে এই ভোগালী বিহুতে আমাৰ কৰ্মপথাৰত থকা শক্তি আৰু সম্ভাৱনা বিকশাই তুলি ৰাজ্যখনৰ অৰ্থনৈতিক উত্তৰণৰ বাবে সকলোকে অহোপুৰুষাৰ্থ কৰাৰ সংকল্প ল'বলৈ আহ্বান জনায়। কৃষিৰ লগত সম্পৰ্কিত এই উৎসৱে আমাক কৰ্মমুখী হোৱাৰ বাবে প্ৰেৰণা যোগাই আহিছে। কৃষি খণ্ডক বিকশাই তোলাৰ বাবে আমি আধুনিক কৃষি পদ্ধতি আৰু তথ্য প্ৰযুক্তিৰ সহায় ল'বই লাগিব। মাটিৰ উৰ্বৰতা বৃদ্ধি কৰি উৎপাদন বৃদ্ধি কৰিব লাগিব। আনহাতে উৎপাদিত সামগ্ৰীৰ মূল্য সংযোজন কৰি বিশ্ব বজাৰত আমাৰ সামগ্ৰীৰ চাহিদা বৃদ্ধি কৰিব লাগিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আত্মনিৰ্ভৰ ভাৰতবৰ্ষ গঢ়ি তোলাৰ বাবে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই ৰাজ্য চৰকাৰেও আত্মনিৰ্ভৰ অসম গঢ়াৰ যাত্ৰাত অৱতীৰ্ণ হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে আমাৰ কৃষকসকলৰ উৎপাদন বৃদ্ধি কৰি আৰ্থিকভাৱে স্বাৱলম্বী হ'ব লাগিব। এই ক্ষেত্ৰত কৃষি খণ্ডই প্ৰচুৰ সম্ভাৱনীয়তা কঢ়িয়াই আনিছে। কৃষিক এক মৰ্যাদা সম্পন্ন বৃত্তি হিচাপে গঢ়ি তোলাৰ বাবে ৰাজ্য চৰকাৰে নিৰলস প্ৰয়াস চলাই আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে নতুন প্ৰজন্ম তথা শিক্ষিত যুৱ প্ৰজন্ম কৃষিখণ্ডত আগুৱাই অহাটো এক আশাপ্ৰদ দিশ।

মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে কৃষিক অগ্ৰাধিকাৰ দি আহিছে। অসমৰ ৫৮ লাখ কৃষক পৰিয়ালক আগুৱাই নিয়াৰ বাবে ৰাজ্য চৰকাৰে কাম কৰি আহিছে। ধানৰ ন্যূনতম সমৰ্থিত মূল্য প্ৰতি কুইন্টলত ১৮৬৮ টকাকৈ প্ৰদানৰ বাবে ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰতিটো উন্নয়নখণ্ডতে যাতে ধান ক্ৰয় কেন্দ্ৰ স্থাপন কৰে তাৰ বাবে ভাৰতীয় খাদ্য নিগমক ইতিমধ্যে আহ্বান জনোৱা হৈছে।

ভোগালী বিহুৰ এই শুভ ক্ষণত ৩০ টাকৈ জনগোষ্ঠী ইয়াত সমৱেত হোৱাটো অতিশয় আশাপ্ৰদ দিশ বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰ জৰিয়তে সমন্বয়ৰ বাৰ্তা প্ৰকাশি উঠিছে। বিভিন্ন জাতি-জনগোষ্ঠীয়ে অসমত মিলা-প্ৰীতিৰে বসবাস কৰি আহিছে। তেওঁ কয় যে সকলো জাতি-জনগোষ্ঠীৰ সম-বিকাশৰ বাবে বৰ্তমানৰ ৰাজ্য চৰকাৰে কাম কৰি আহিছে আৰু সেইবাবে আজি সকলোৱে মৰ্যাদা সহকাৰে জীৱন নিৰ্বাহ কৰিবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে যোৱা চাৰে-চাৰি বছৰে অসমত কোনো ভাতৃঘাতী সংঘাত হোৱা নাই। সকলোৱে মিলি-জুলি শান্তিৰে কাম কৰি আহিছে। সকলো জনগোষ্ঠীয়ে বৰ অসম নিৰ্মাণত ব্ৰতী হৈ পৰিছে। এয়া চৰকাৰৰ বাবে বৃহৎ সফলতা বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই অনুষ্ঠানত চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণ, বিধায়কসকল ক্ৰমে ভাস্কৰ শৰ্মা, প্ৰশান্ত ফুকন, সুৰেন ফুকন আৰু বলীন চেতিয়া, ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিৰ সদস্য-সচিব লক্ষ্য কোঁৱৰ, অসম ৰাজ্যিক গৃহ নিৰ্মাণ পৰিষদৰ উপাধ্যক্ষ সুভাষ দত্ত, প্ৰথিতযশা লেখিকা ৰীতা চৌধুৰী প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ / পুঃডেঃ / বঃভাঃ**
**১৩/০১/২০২১**